# নামঘৰ আৰু অসমীয়া সমাজ

পুলিন কলিতা

◆◆

*অসমত হিন্দু ধৰ্মাৱলম্বীসকলৰ মাজত একশৰণপন্থী বৈষ্ণৱৰ উপৰি আছে যথেষ্ট সংখ্যক শাক্ত আৰু শৈৱ। শংকৰদেৱৰ মতানুসৰণ নকৰা, অৰ্থাৎ অন্য পন্থৰো বৈষ্ণৱ অসমত আছে। অসমত অৱশ্যে শৈৱসকল সুস্পষ্ট নহয়। শংকৰদেৱৰ সময়তো অসমৰ ভালেসংখ্যক ইছলামধৰ্মী লোক আছিল। পিছে দেখা যায় ইছলামধৰ্মী আৰু শাক্তসকলৰ সাংস্কৃতিক আচৰণৰ আধাৰ ভূমি শংকৰদেৱসৃষ্ট বৈষ্ণৱ আচৰণহে। শংকৰাচাৰ্যৰ পথেৰেই অদ্বৈতবাদী দৰ্শনৰ আধাৰত শংকৰদেৱে তেখেতৰ ধৰ্মমতটো গঢ় দিছিল; পিছে শংকৰাচাৰ্যৰ কঠোৰতা শংকৰদেৱৰ নাছিল। কাৰণ শংকৰদেৱৰ সময়ৰ অসমৰ সামাজিক আৰু সাংস্কৃতিক প্ৰয়োজন আছিল বেলেগ—উত্তৰ বা দক্ষিণ ভাৰতৰ সৈতে নিমিলা। এনে পাৰ্থক্যই শংকৰদেৱৰ ধৰ্মমতটোকো পৃথকতা প্ৰদান কৰিছিল।*

◆◆◆

নামঘৰ বিষয়ক আলোচনাত মনলৈ আনিবলগীয়া প্ৰথমটো কথা হ'ল—ই এটা ধৰ্মপন্থৰ উপাসনাস্থলী। চৰিত পুথিয়ে আমাক কয় যে শংকৰ 'ভূঞা'ই শিৰোমণি বিষয় লোৱাৰ কিছুকালৰ পাছতেই 'হৰিকথা' চৰ্চা কৰিবলৈ এটা 'হৰিগৃহ' সজাই লৈছিল—'গ্ৰামৰ দূৰ', 'গণকজানৰ পাৰে', 'কুসুম্বৰৰ সৰিহতলী'ত হৰিকথা চৰ্চা অৰ্থাৎ হৰি উপাসনা—সেয়ে হৰিগৃহৰ প্ৰথম চৰ্ত বা প্ৰথম বৈশিষ্ট্য। তেতিয়াৰ 'হৰিগৃহ'ৰ আজিৰ জনপ্ৰিয় পৰিচয় 'নামঘৰ'; যদিও হৰিমন্দিৰ বা কীৰ্তনঘৰ শব্দবিশেষো এই স্থানক বুজাবলৈ ব্যৱহাৰ কৰা হয়। নামঘৰৰ বিষয়ে ক'বলৈ গৈ আমি সাধাৰণতে অত্যুৎসাহী হৈ পৰোঁ, ফলত ইয়াৰ এই চৰ্তটো বা এই বৈশিষ্ট্যটো হয় উলাই কৰোঁ, নহ'লেবা পাহৰি থাকোঁ। আমাৰ বিবেচনাত এই চৰ্ত বা বৈশিষ্ট্যটো মনত ৰাখিহে নামঘৰৰ অন্যান্য দিশবোৰৰ চৰ্চা কৰা যুগুত।

ষোড়শ শতাব্দীৰ আৰম্ভণিতে শংকৰ 'ভূঞা'ৰ (অৰ্থাৎ পৰৱৰ্তী কালৰ শংকৰদেৱৰ) উদ্যোগত নামঘৰ (তেতিয়াৰ 'হৰিগৃহ') প্ৰতিষ্ঠা হৈছিল। স্বাভাৱিক কাৰণতে এটা 'প্ৰতিষ্ঠান' হৈ উঠিবলৈ ইয়াক প্ৰায় আধা শতিকামানৰ প্ৰয়োজন হৈছিল। শংকৰদেৱে বৰদোৱা/আলিপুখুৰীকেন্দ্ৰিক 'ভূঞাৰাজ্য' এৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ নোহোৱা হ'লে তেখেতৰ ধৰ্মমত আৰু ইয়াৰ উপাসনাকেন্দ্ৰ 'নামঘৰ'ৰ ৰূপ কি হ'লহেঁতেন, সেয়া অনুমানো কৰা নাযায়। পিছে পৰিস্থিতিৰ পাকত পৰি তেখেতে বৰদোৱা এৰিবলগীয়া হ'ল—সাজি লোৱা ঘৰ-দুৱাৰৰ উপৰি পৰি ৰ'ল নামঘৰো। কেৱল বৰদোৱাই নহয়, থিতাপি লগাৰ মানসেৰেই গঢ়ি লোৱা মাজালীৰ ধুৱাহাটাও এদিন তেখেতে এৰি থৈ



যাবলগীয়া হ'ল। অৱশেষত তেখেতে থিতাপি ল'লে বৰপেটা/পাটবাউসীত। দৰাচলতে পাটবাউসীৰ পৰাই নামঘৰে ইয়াৰ জয়যাত্ৰা আৰম্ভ কৰিছিল। নামঘৰৰ বিকাশ লাভ কৰি উদ্ভৱ হৈছিল সত্ৰৰ; অৱশ্যে এনে হ'বৰ বাবে বৈষ্ণৱ ধৰ্মমতে মহাপুৰুষ মাধৱদেৱলৈ বাট চাবলগীয়া হৈছিল, যদিও মাধৱদেৱে 'সত্ৰ' পতাৰ আগতেই মহাপুৰুষ দামোদৰদেৱে 'সত্ৰ' পাতি ধৰ্মমত বিস্তাৰৰ কামত নিজকে নিয়োজিত কৰিছিল।

ধৰ্মীয় ভূমিকাটো পাৰ হৈ গ'লে (মন কৰিব, আমি 'পাৰ হৈ গ'লে' বুলি কৈছোঁ, 'পাহৰি গ'লে' বুলি কোৱা নাই) নামঘৰৰ যিটো বা যিবোৰ ভূমিকা পোৱা যায়, সেইটো বা সেইবোৰেই ইয়াক আন সকলো ধৰ্মীয় উপাসনাথলীৰ পৰা পৃথক কৰি, অনন্য কৰি তুলিছে। সেইটো হ'ল ইয়াৰ সাংস্কৃতিক ভূমিকা। ইয়াত 'সাংস্কৃতিক' পৰিশব্দৰে কেৱল পৰিৱেশ্য কলাক বুজোৱা হোৱা নাই, ইয়াৰ দ্বাৰা মানৱ-বিকাশৰ সামগ্ৰিক পৰিক্ষেত্ৰখনৰ কথা ক'ব খোজা হৈছে। মাৰ্ক স্মিথে প্ৰদান কৰা সংজ্ঞাটো আমি সংস্কৃতিৰ বাবে গ্ৰহণ কৰিবলৈ ভাল পাওঁ। স্মিথে কৈছিল—"The whole of sociology and anthropology, a great deal of